# REGIONAL NEWS UNIT
AKASHVANI : GUWAHATI
0000000000

**Date :** 29-03-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***
**::::::::::::::::::::::::::::::**

গোৱালপাৰা আৰু কামৰূপৰ ৩৩টা পৰিষদীয় সমষ্টিত অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। মুখ্যমন্ত্ৰী তথা বিজেপি দলৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰাৰ দুধনৈ আৰু কামৰূপ জিলাৰ বকোত দুখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি আৰু ৰাভা-হাছং যৌথ মঞ্চৰ সমৰ্থিত প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। গোৱালপাৰাত অনুষ্ঠিত নিৰ্বাচনী সভাত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ বিষয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ৰাভা-হাছঙক সাংবিধানিক মৰ্যাদা দিব বিচাৰিছো বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁৰ ভাষণত ৰাভাসকলৰ উন্নয়নৰ বাবে এন ডি এৰ প্ৰাৰ্থীক ভোট দিবলৈ ৰাইজক আহ্বান জনায়।

**বাইট (চি এম)**

বকোৰ গান্ধী ময়দানত অনুষ্ঠিত নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰীগৰাকীয়ে কামৰূপ জিলাৰ অন্তৰ্গত ১৪টা পৰিষদীয় সমষ্টিত এন ডি এৰ প্ৰাৰ্থী জয়ী হ'ব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ সৰ্বাংগীণ উন্নয়নৰ বাবে শীঘ্ৰে গৃহ বিভাগ, ৰাজ্য চৰকাৰ আৰু ৰাভা জনগোষ্ঠীৰ ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। চৰকাৰী ভূমিত বসবাস কৰা ৰাভা জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা দিয়াৰ কথাও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীৰ এই নিৰ্বাচনী সভাত বিজেপিৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়া, ৰাভা-হাছং যৌথ মঞ্চৰ সভাপতি টংকেশ্বৰ ৰাভা, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, গুৱাহাটী সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি আৰু বিধায়ক হেমাংগ ঠাকুৰীয়া উপস্থিত থাকে।

ইপিনে ছয়গাঁৱৰ দোলেডঙাত অনুষ্ঠিত কংগ্ৰেছৰ নিৰ্বাচনী সভাত বিধায়ক ৰেকিবুদ্দিন আহমেদে দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান চলায়। গোৱালপাৰা জিলাৰ দ্বাৰকা, মাজ-জাখিলী, ডিৰ্মাজাখিলী আৰু দাৰিদুৰি পৰিষদীয় সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

০০০

বজালীৰ জিলা সদৰ পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহ আজি প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয়। ৰাজ্যপাল তথা ভট্টদেৱ বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ পৌৰহিত্যত অনুষ্ঠিত এই দীক্ষান্ত সমাৰোহত দুগৰাকীক পি এইচ ডি, ৪৬৯ গৰাকীক স্নাতকোত্তৰ আৰু এহেজাৰ ৪২২ গৰাকী ছাত্ৰ-ছাত্ৰীক স্নাতক ডিগ্ৰী প্ৰদান কৰা হয়। ইয়াৰ লগতে ৬৬ গৰাকী বঁটাপ্ৰাপকক স্বৰ্ণ পদকেৰে সন্মানিত কৰা হয়। এই দীক্ষান্ত সমাৰোহত ভট্টদেৱ বিশ্ববিদ্যালয়ে অসম সৌৰভ বঁটাপ্ৰাপক বিশিষ্ট নাট্য প্ৰযোজক কৃষ্ণ ৰয়ক সন্মানীয়

ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। আজিৰ অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন তথা আইন, পৰ্যটন আৰু সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ অমৰজ্যোতি চৌধুৰী উপস্থিত থাকে।

০০০

পাঠশালাত ১০ লাখ টকা ব্যয় সাপেক্ষ ক্ৰীড়া সামগ্ৰী আৰু পাঠশালা টাউন ক্লাবৰ আন্তঃগাথনি উন্নয়নৰ বাবে মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি ৫ লাখ টকাৰ চেক প্ৰদান কৰে। বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ তত্বাৱধানত অনুষ্ঠিত এটা অনুষ্ঠানত মন্ত্ৰী দাসে ভাষণ দি কয়, যে যুৱক-যুৱতীৰ ভৱিষ্যত গঢ় দিয়াত ক্ৰীড়াৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। ক্ৰীড়াৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি তেওঁ যুৱ খেলুৱৈসকলক প্ৰদান কৰা সা-সুবিধাসমূহৰ সৰ্বোত্তম ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়।

০০০

কামৰূপ জিলাৰ বামুনীগাওঁৰ এখন ৰাজহুৱা সভাত কালি অনুসূচীত জাতি সন্দৰ্ভত অসম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে অসংবিধানিক শব্দ ব্যৱহাৰ কৰাৰ অভিযোগত মন্ত্ৰীগৰাকীৰ বিৰুদ্ধে বিভিন্ন ঠাইত কিছুসংখ্যক লোকে এজাহাৰ দাখিল কৰিছে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে অনুসূচীত জাতি সন্দৰ্ভত কৰা মন্তব্যক লৈ অনুতপ্ত হোৱা বুলি ব্যক্ত কৰাৰ লগতে সংবাদ মাধ্যমৰ আগত দুখ প্ৰকাশ কৰিছে। তেওঁ কয়, যে ভৱিষ্যতে এইধৰণৰ অসংবিধানিক শব্দ ব্যৱহাৰ নকৰে বুলি প্ৰকাশ কৰাৰ লগতে এই অনিচ্ছাকৃত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰে।

০০০

বৰপেটাৰ সুন্দৰীদিয়া সত্ৰৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে সত্ৰখনৰ শাখা সত্ৰসমূহৰ সমাৰোহ অনুষ্ঠিত হৈছে। শাখা সত্ৰসমূহক একত্ৰিত কৰাৰ উপৰি সহযোগী সত্ৰসমূহক লগত লৈ মাধৱ দেৱৰ দ্বাৰা প্ৰচাৰিত ধৰ্ম আৰু অন্যান্য ব্যৱস্থাসমূহ আগবঢ়াই নিয়াৰ উদ্দেশ্যে প্ৰথমবাৰৰ বাবে এই সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহত কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰ আৰু ভকত-বৈষ্ণৱে অংশগ্ৰহণ কৰে। সমাৰোহৰ অংশ হিচাপে সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীয়ে পুৱা পতাকা উত্তোলন কৰে।

০০০

বিশিষ্ট অনাতাঁৰ শিল্পী, সুকণ্ঠী গায়িকা হীৰা দাসৰ আজি পুৱতি নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত এসময়ৰ জনপ্ৰিয় কণ্ঠশিল্পীগৰাকীৰ বয়স হৈছিল ৭৩ বছৰ। বিগত চাৰিদিন ধৰি চিকিৎসাধীন হৈ থকা হীৰা দাসৰ মৃত্যুত বিভিন্নজনে শোক প্ৰকাশ কৰে। আজি বিয়লি নৱগ্ৰহ শ্মশানত হীৰা দাসৰ শেষকৃত্য সম্পন্ন কৰা হয়। বিশিষ্ট সংগীত শিল্পী জে পি দাসৰ পত্নী হীৰা দাসে বহু জনপ্ৰিয় গীতত কণ্ঠদান কৰিছিল।

০০০

বজালীৰ ভালুকী গাঁওনিবাসী সৰবৰহী মহিলা দিপীমা গোস্বামীৰ কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৬ বছৰ। মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ মহিলা

সংঘৰ আঞ্চলিক সমিতিৰ মুখ্য সম্পাদক গোস্বামীৰ মৃত্যুত ভালুকী অঞ্চলত শোকৰ ছাঁ পৰে। দিপীমা গোস্বামী ভালুকী অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল।

০০০

আই পি এলৰ খেলত অংশগ্ৰহণৰ বাবে আজি সন্ধিয়া চেন্নাই ছুপাৰ কিংছ গুৱাহাটীত উপস্থিত হ'ব। প্ৰাক্তন আন্তৰ্জাতিক ক্ৰিকেটাৰ মহেন্দ্ৰ সিং ধোনীৰ দৰে তাৰকাসমৃদ্ধ দলটো বিশেষ বিমানযোগে বৰঝাৰ বিমান বন্দৰত উপস্থিত হ'ব। দলটোৱে কাইলৈ বৰ্ষাপাৰা ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে হ'বলগীয়া আই পি এলৰ খেলখনত অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০

সমাপ্ত